03-11-2025 প্ৰাতঃমুৰুলী ওঁম্ শান্তি! "বাপদাদা" মধুবন।

**"মৰমৰ সন্তানসকল – পিতা আহিছে নিৰ্বিকাৰী সৃষ্টি ৰচিবলৈ, তোমালোকৰ চৰিত্ৰ শুধৰাবলৈ, তোমালোক হৈছা ভাই ভাই গতিকে তোমালোকৰ দৃষ্টি অতি শুদ্ধ হোৱা উচিত"**

প্ৰশ্ন: তোমালোক সন্তানসকল হৈছা নিচিন্ত বাদশ্বাহ তথাপি এটা মূল চিন্তা অৱশ্যে থকা উচিত - কোনটো?

উত্তৰ: আমি পতিতৰ পৰা পাৱন কেনেকৈ হ'ম - এইটো হ'ল মূল চিন্তা। এনেকুৱা হ'ব নালাগে যাতে পিতাৰ হৈ পুনৰ পিতাৰ আগত শাস্তি খাবলগীয়া হয়। শাস্তিৰ পৰা হাত সৰাৰ চিন্তা থাকিব লাগে, নহ'লে সেই সময়ত বহুত লাজ লাগিব। বাকী তোমালোক নিচিন্ত বাদশ্বাহ হোৱা, সকলোকে পিতাৰ পৰিচয় দিব লাগে। কোনোবাই বুজিলে বেহদৰ মালিক হয়, নুবুজিলে তেওঁৰ ভাগ্য। তোমালোকে তালৈ ভ্ৰুক্ষেপ কৰিব নালাগে।

ওঁম্ শান্তি। আত্মিক পিতা যিজনৰ নাম শিৱ, তেওঁ বহি নিজৰ সন্তানসকলক বুজায়। আত্মিক পিতা সকলোৰে এজনেই। প্ৰথমতে এইটো কথা বুজাব লাগে তেতিয়া পাছলৈ বুজাব সহজ হ'ব। যদি পিতাৰ পৰিচয়ে পোৱা নাই তেন্তে প্ৰশ্ন সুধি থাকিব। প্ৰথমতে এইটো নিশ্চয় জন্মাব লাগে। গোটেই জগতে এইটো নাজানে যে 'গীতা'ৰ ভগৱান কোন। তেওঁলোকে শ্ৰীকৃষ্ণ বুলি কৈ দিয়ে, আমি কওঁ পৰমপিতা পৰমাত্মা শিৱ হৈছে 'গীতা'ৰ ভগৱান। তেৱেঁই জ্ঞানৰ সাগৰ। মুখ্য হৈছে সৰ্বশাস্ত্ৰৰ শিৰোমণি 'গীতা'। ভগৱানৰ কাৰণেই কয় - হে প্ৰভু তোমাৰ গতি মত অনন্য। শ্ৰীকৃষ্ণৰ ক্ষেত্ৰত এনেকৈ নকয়। পিতা যি সত্য তেওঁ নিশ্চয় সত্য কথাই শুনাব। সৃষ্টি প্ৰথমে নতুন সতোপ্ৰধান আছিল। এতিয়া সৃষ্টি পুৰণি তমোপ্ৰধান। সৃষ্টি সলনি কৰোঁতা একমাত্ৰ পিতাই হয়। পিতাই কেনেকৈ সলনি কৰে সেয়াও বুজাব লাগে। আত্মা যেতিয়া সতোপ্ৰধান হ'ব তেতিয়া সৃষ্টিও সতোপ্ৰধান স্থাপনা হ'ব। প্ৰথমতে তোমালোক সন্তানসকল অন্তৰ্মুখী হ'ব লাগে। বেছিকৈ ক'ব নালাগে। যেতিয়া (সেৱাকেন্দ্ৰৰ) ভিতৰলৈ আহে তেতিয়া বহুতে চিত্ৰ দেখি সুধিয়ে থাকে। প্ৰথমতে এটা কথাই বুজাব লাগে যাতে বেছি কথা সোধাৰ সুবিধা নাপায়। কোৱা, প্ৰথমেতো এটা কথাৰ ওপৰত নিশ্চয় কৰক তাৰ পাছত আগলৈ বুজাম তেতিয়া তোমালোকে 84 জন্মৰ চক্ৰৰ চিত্ৰখনলৈ লৈ আহিব পাৰা। পিতাই কয় - মই বহুত জন্মৰ অন্তিম জন্মত প্ৰৱেশ কৰোঁ। এওঁকে (ব্ৰহ্মাক) পিতাই কয় - তুমি নিজৰ জন্মৰ বিষয়ে নাজানা। পিতাই আমাক প্ৰজাপিতা ব্ৰহ্মাৰ দ্বাৰা বুজায়। প্ৰথমতে 'অল্‌ফ'ৰ (পিতাৰ) ওপৰতে বুজায়। 'অল্‌ফ'ক বুজিলে তেতিয়া কোনো সংশয় নাথাকিব। কোৱা যে পিতা সত্য, তেওঁ কেতিয়াও অসত্য কথা নুশুনায়। বেহদৰ পিতাইহে ৰাজযোগ শিকায়। শিৱৰাত্ৰিৰ গায়ন কৰা হয় তেন্তে নিশ্চয় শিৱ ইয়ালৈ আহিছিল নহয় জানো। যেনেকৈ শ্ৰীকৃষ্ণ জয়ন্তীও ইয়াত পালন কৰে। পিতাই কয় মই ব্ৰহ্মাৰ দ্বাৰা স্থাপনা কৰোঁ। সেই এজন নিৰাকাৰ পিতাৰে সকলো সন্তান। তোমালোকো তেওঁৰ সন্তান আৰু প্ৰজাপিতা ব্ৰহ্মাৰো সন্তান হোৱা। প্ৰজাপিতা ব্ৰহ্মাৰ দ্বাৰা স্থপনা কৰিলে তেন্তে নিশ্চয় ব্ৰাহ্মণ-ব্ৰাহ্মণী হ'বা। ভাই-ভনী হৈ গ'লা, এইটো সম্বন্ধত পৱিত্ৰতা থাকে। গৃহস্থালিত থাকি পৱিত্ৰ হৈ থকাৰ এয়া হ'ল আধাৰ। ভাই-ভনী হোৱা গতিকে কেতিয়াও আসুৰিক দৃষ্টি যোৱা উচিত নহয়। 21 জন্মলৈ দৃষ্টি শুধৰণি হৈ যায়। পিতায়ে সন্তানসকলক শিক্ষা দিব নহয়। চৰিত্ৰ শুধৰায়। এতিয়া গোটেই সৃষ্টিৰ চৰিত্ৰ শুধৰণি হ'ব। এই পুৰণি পতিত সৃষ্টিত কোনো চৰিত্ৰ নাই। সকলোৰে বিকাৰ আছে। এইখন হয়েই পতিত বিকাৰী সৃষ্টি। আকৌ নিৰ্বিকাৰী সৃষ্টি কেনেকৈ হ'ব? কেৱল পিতাৰ বাহিৰে আন কোনেও ৰচিব নোৱাৰে। এতিয়া পিতাই পৱিত্ৰ কৰি আছে। এই সকলোবোৰ হৈছে গুপ্ত কথা। আমি আত্মা, আত্মাই পৰমাত্মা পিতাক সাক্ষাৎ কৰিব লাগে। সকলোৱে ভগৱানক সাক্ষাৎ কৰিবৰ কাৰণেই পুৰুষাৰ্থ কৰে। ভগৱান এজন নিৰাকাৰ। মুক্তিদাতা, মাৰ্গ-দৰ্শক বুলিও পৰমাত্মাকেই কোৱা হয়। অন্য ধৰ্মালম্বীসকলে মুক্তিদাতা, মাৰ্গ-দৰ্শক বুলি নকয়। পৰমপিতা পৰমাত্মাহে আহি উদ্ধাৰ কৰে অৰ্থাৎ তমোপ্ৰধানৰ পৰা সতোপ্ৰধান কৰি তোলে। মাৰ্গ-দৰ্শনো কৰে গতিকে প্ৰথমতে এই এটা কথাই বুদ্ধিত ধাৰণ কৰোৱা। যদিহে বুজি নাপায় তেন্তে এৰি দিব লাগে। 'অল্‌ফ'ক নুবুজিলে তেন্তে 'বে'ৰ (বাদশ্বাহীৰ) পৰা কি লাভ, লাগিলে গুচি যাওঁক। তোমালোক বিবুদ্ধিত নপৰিবা। তোমালোক হৈছা নিচিন্ত বাদশ্বাহ। অসুৰে বিঘিনি আনিবই। এয়া হয়েই "ৰুদ্ৰ জ্ঞান যজ্ঞ"। গতিকে প্ৰথমতে পিতাৰ পৰিচয় দিব লাগে। পিতাই কয় – 'মনমনাভৱ'। যিমান পুৰুষাৰ্থ কৰিবা সেই অনুযায়ী পদ পাবা। আদি-সনাতন দেৱী-দেৱতাৰ ধৰ্মৰ ৰাজ্য স্থাপনা হৈ আছে। এই লক্ষ্মী-নাৰায়ণৰ ৰাজবংশ আছে। অন্য ধৰ্মাৱলম্বীসকলে কোনো ৰাজবংশ প্ৰতিষ্ঠা নকৰে। পিতাতো আহি সকলোকে মুক্ত কৰে। আকৌ নিজৰ নিজৰ সময়ত অন্য ধৰ্ম প্ৰতিষ্ঠাপসকল আহি নিজৰ ধৰ্ম প্ৰতিষ্ঠা কৰি লাগে। বৃদ্ধি হ'ব। পতিত হ'বই লাগে। পতিতৰ পৰা পাৱন কৰি তোলা এইটোতো পিতাৰ কাম। তেওঁলোকতো আহি কেৱল ধৰ্ম প্ৰতিষ্ঠা কৰিব। তাত মহিমা কৰাৰ কোনো কথাই নাই। মহিমা এজনৰেই। তেওঁলোকেতো যীশুখ্ৰীষ্টৰ কাৰণে কিমান কৰে। তেওঁলোককো বুজাব লাগে মুক্তিদাতা মাৰ্গ-দৰ্শকতো ঈশ্বৰ

পিতাই হয়। বাকী যীশুখ্রীষ্টই কি কৰিলে? তেওঁৰ পাছত খ্ৰীষ্টিয়ান ধৰ্মৰ আত্মাসকল আহি থাকে, তললৈ নামি থাকে। দুখৰ পৰা মুক্ত কৰোঁতাতো একমাত্ৰ পিতাই হয়। এই সকলোবোৰ সাৰ কথা বুদ্ধিত ভালদৰে ধাৰণ কৰিব লাগে। একমাত্ৰ ঈশ্বৰকে দয়ালু বুলি কোৱা হয়। যীশুখ্রীষ্টই কোনো দয়া নকৰে। এজনো মনুষ্যই কাৰো ওপৰত দয়া নকৰে। দয়া কৰা হয় বেহদৰ। একমাত্ৰ পিতায়ে সকলোৰে ওপৰত দয়া কৰে। সত্যযুগত সকলো সুখ-শান্তিত থাকে। দুখৰ কোনো কথাই নাই। সন্তানসকলে এটা কথা এজন 'অল্ফ'ৰ ওপৰত নিশ্চয় নজন্মায়, অন্য কথাত গুচি যায় আকৌ কয় ডিঙিয়ে বেয়া হৈ গ'ল। প্ৰথমতে পিতাৰ পৰিচয় দিব লাগে। তোমালোকে আৰু অন্য কথাত নাযাবাই। কোৱা, পিতাইতো সত্যই ক'ব নহয়। আমাক ব্ৰহ্মাকুমাৰ-কুমাৰীসকলক পিতাইহে শুনায়। এই সকলো চিত্ৰ তেওঁ তৈয়াৰ কৰাইছে, এই ক্ষেত্ৰত সংশয় আনিব নালাগে। সংশয় বুদ্ধিয়ে বিনাশ কৰায়। প্ৰথমতে তোমালোকে নিজক আত্মা বুলি বুজি পিতাক স্মৰণ কৰা তেতিয়া বিকৰ্ম বিনাশ হ'ব। অন্য কোনো উপায় নাই। পতিত-পাৱনতো এজনেই হয় নহয়। পিতাই কয় - দেহৰ সকলো সম্বন্ধ ত্যাগ কৰি মামেকম্ (কেৱল মোক) স্মৰণ কৰা। পিতা যাৰ শৰীৰত প্ৰৱেশ কৰে, তেৱোঁ আকৌ পুৰুষাৰ্থ কৰি সতোপ্ৰধান হ'ব লাগে। হ'ব পুৰুষাৰ্থৰ দ্বাৰাই আকৌ ব্ৰহ্মা আৰু বিষ্ণুৰ সম্পৰ্কৰ কথাও কয়। পিতাই তোমালোক ব্ৰাহ্মণসকলক ৰাজযোগ শিকায় গতিকে তোমালোক বিষ্ণুপুৰীৰ মালিক হোৱা। আকৌ তোমালোকেই 84 জন্ম লৈ অন্তিমত শূদ্ৰ হোৱা। তেতিয়া পিতা আহি শূদ্ৰৰ পৰা ব্ৰাহ্মণ কৰি তোলে। এনেকৈ আৰু অন্য কোনেও শুনাব নোৱাৰে। প্ৰথম কথা হ'ল পিতাৰ পৰিচয় দিয়া। পিতাই কয় - ময়েই পতিতসকলক পাৱন কৰি তুলিবলৈ ইয়ালৈ আহিবলগীয়া হয়। এনেকুৱা নহয় যে ওপৰৰ পৰা প্ৰেৰণা দিওঁ। এওঁৰেই নাম ভাগীৰথ। তেন্তে নিশ্চয় এওঁৰ শৰীৰতে প্ৰৱেশ কৰিব। এয়া হয়ো বহুত জন্মৰ অন্তিম জন্ম। পুনৰ সতোপ্ৰধান হয়। ইয়াৰ কাৰণে পিতাই যুক্তি (উপায়) শুনায় যে নিজক আত্মা বুলি বুজি মামেকম্ স্মৰণ কৰা। মইহে সৰ্বশক্তিমান। মোক স্মৰণ কৰিলে তোমালোকে শক্তি আহৰণ কৰিবা। তোমালোক বিশ্বৰ মালিক হ'বা। এই লক্ষ্মী-নাৰায়ণৰ উত্তৰাধিকাৰ এওঁলোকে পিতাৰ পৰা পাইছে। কেনেকৈ পালে সেয়া বুজায়। প্ৰদৰ্শনী, সংগ্ৰাহালয় আদিত তোমালোকে কৈ দিয়া যে প্ৰথমতে এটা কথা বুজক, তাৰ পাছত অন্য কথাত যাব। এইটো বুজাতো বহুত জৰুৰী। নহ'লে আপুনি দুখৰ পৰা পৰিত্ৰাণ নাপাব। প্ৰথমতে, যেতিয়ালৈকে নিশ্চয় নজন্মে তেতিয়ালৈকে আপুনি একো বুজিব নোৱাৰিব। এই সময়ত হয়েই ভ্ৰষ্টাচাৰী সৃষ্টি। দেৱী-দেৱতাসকলৰ সৃষ্টি শ্ৰেষ্ঠাচাৰী আছিল। এনেকৈ বুজাব লাগে। মনুষ্যৰ নাড়ীৰ স্পন্দনো চাব লাগে - কিবা বুজি পাইছে নে গৰম তাৱা (গৰম তাৱাত যিদৰে পানী নাথাকে সেইদৰে বুদ্ধিত একো ধাৰণ নোহোৱা, অবুজ)? যদিহে গৰম তাৱা তেন্তে এৰি দিব লাগে। সময় নষ্ট কৰিব নালাগে। তৃষ্ণাতুৰ পাত্ৰক চিনি পোৱাৰো বুদ্ধি থাকিব লাগে। যিসকল বুজোঁতা হ'ব তেওঁলোকৰ চেহেৰাই সলনি হৈ যাব। প্ৰথমতেতো আনন্দৰ কথা শুনাব লাগে। বেহদৰ পিতাৰ পৰা বেহদৰ উত্তৰাধিকাৰ পোৱা যায় নহয়। বাবাই জানে স্মৃতিৰ যাত্ৰাত সন্তানসকল বহুত ঢিলা। পিতাক স্মৰণ কৰোঁতে পৰিশ্ৰম হয়। সেই ক্ষেত্ৰতে মায়াই বহুত বিঘিনি আনে। এয়াও খেল ৰচি থোৱা আছে। পিতাই বহি বুজায় - কেনেকৈ এই খেল ৰচি থোৱা আছে। জগতৰ মনুষ্যই কিঞ্চিৎ মাত্ৰও নাজানে।

পিতাৰ স্মৃতিত থাকিলে তোমালোকে কাৰোবাক বুজাওঁতেও একৰস হৈ থাকিবা। নহ'লে কিবা নহয় কিবা খুঁত উলিয়াই থাকিব। বাবাই কয় - তোমালোকে বেছি কষ্টত যাব নালাগে। স্থাপনাতো নিশ্চয় হ'বই। ড্ৰামাত হ'বলগীয়াটোক কোনেও বাধা দি ৰাখিব নোৱাৰে। উল্লাসিত হৈ থাকিব লাগে। পিতাৰ পৰা আমি বেহদৰ উত্তৰাধিকাৰ লৈ আছোঁ। পিতাই কয় – মামেকম্ স্মৰণ কৰা। বহুত প্ৰেমেৰে বহি বুজাব লাগে। পিতাক স্মৰণ কৰি প্ৰেমৰ চকুলো ওলাই আহিব লাগে। বাকীতো সকলো সম্বন্ধ হৈছে কলিযুগী। এয়া হৈছে আত্মিক পিতাৰ সম্বন্ধ। তোমালোকৰ এই চকুলোও বিজয় মালাৰ মণি হৈ যায়। বহুত কমসংখ্যক আছে - যিয়ে এনেকৈ প্ৰেমেৰে পিতাক স্মৰণ কৰে। চেষ্টা কৰি যিমান সম্ভৱ নিজৰ সময় উলিয়াই নিজৰ ভৱিষ্যত উচ্চ কৰিব লাগে। প্ৰদৰ্শনীত ইমান সংখ্যক সন্তান থাকিব নালাগে। ইমানবোৰ চিত্ৰৰো প্ৰয়োজন নাই। প্ৰথম নম্বৰৰ চিত্ৰ হ'ল "গীতাৰ ভগৱান কোন?" তাৰ কাষত লক্ষ্মী-নাৰায়ণ, ছিৰিৰ চিত্ৰ। বচ্। বাকী ইমানবোৰ চিত্ৰৰ কোনো প্ৰয়োজন নাই। তোমালোক সন্তানসকলে যিমান সম্ভৱ স্মৃতিৰ যাত্ৰা বঢ়াব লাগে। মূল চিন্তা এইটোৱে হ'ব লাগে যে পতিতৰ পৰা পাৱন কেনেকৈ হওঁ! বাবাৰ হৈ আকৌ পাছত বাবাৰ আগত গৈ শাস্তি খালে এইটোতো বৰ দুৰ্গতিৰ কথা। যদিহে এতিয়া স্মৃতিৰ যাত্ৰাত নাথাকা তেন্তে আকৌ বাবাৰ আগত শাস্তি খোৱাৰ সময়ত বহুত লাজ লাগিব। শাস্তি যাতে খাবলগীয়া নহয়, এইটো চিন্তাই বেছিকৈ থাকিব লাগে। তোমালোক জ্ঞানীও হোৱা, যোগীও হোৱা। বাবায়ো কয় - মই জ্ঞানীও হওঁ, যোগীও হওঁ। সূক্ষ্ম বিন্দু হওঁ আকৌ জ্ঞানৰ সাগৰো হওঁ। তোমালোক আত্মাত সকলো জ্ঞান ধাৰণ কৰায়। 84 জন্মৰ গোটেই ৰহস্য তোমালোকৰ বুদ্ধিত আছে। তোমালোক জ্ঞান স্বৰূপ হৈ জ্ঞান বৰষা। জ্ঞানৰ এটি এটি ৰত্ন কিমান মূল্যৱান, কোনেও ইয়াৰ মূল্য নিৰূপণ কৰিব নোৱাৰে সেইবাবে বাবাই কয় - পদ্মাপদম ভাগ্যশালী। তোমালোকৰ চৰণত পদুমৰ চিহ্নও দেখুওৱা হয়, ইয়াক কোনেও বুজিব নোৱাৰে। মনুষ্যই 'পদমপতি' নাম ৰাখে। ভাবে এওঁৰ ওচৰত বহুত ধন আছে। পদমপতিৰ এটা উপাধিও ৰাখে। পিতাই সকলো কথা বুজায়। আকৌ কয় - মূল কথা হৈছে পিতাক আৰু 84ৰ

চক্ৰক স্মৰণ কৰা। এই জ্ঞান ভাৰতবাসীৰ কাৰণেহে। তোমালোকেহে 84 জন্ম লোৱা। এয়াও বোধশক্তিৰ কথা নহয় জানো। অন্য কোনো সন্ন্যাসী আদিক স্বদৰ্শন চক্ৰধাৰী বুলিও কোৱা নহ'ব। দেৱতাসকলকো কোৱা নহ'ব। দেৱতাসকলৰ জ্ঞান নাথাকেই। তোমালোকে ক'বা আমাৰ সকলো জ্ঞান আছে, এই লক্ষ্মী-নাৰায়ণৰ নাই। পিতাইতো যথাৰ্থ কথা বুজায় নহয়।

এই জ্ঞান বৰ অপূৰ্ব। তোমালোক কিমান গুপ্ত বিদ্যাৰ্থী। তোমালোকে ক'বা আমি পাঠশালালৈ যাওঁ, ভগৱানে আমাক পঢ়ায়। লক্ষ্য-উদ্দেশ্য কি? আমি এয়া (লক্ষ্মী-নাৰায়ণ) হ'মগৈ। মনুষ্যই শুনি আচম্বিত হ'ব। আমি আমাৰ মুখ্য কাৰ্যালয়লৈ যাওঁ। কি পঢ়া? মনুষ্যৰ পৰা দেৱতা, ভিকহুৰ পৰা ৰাজকুমাৰ হোৱাৰ পাঠ পঢ়ি আছোঁ। তোমালোকৰ চিত্ৰও অতি উত্তম। ধন দানো সদায় পাত্ৰকহে দিয়া হয়। তোমালোকে পাত্ৰ ক'ত পাবা? শিৱৰ, লক্ষ্মী-নাৰায়ণৰ, ৰাম-সীতাৰ মন্দিৰত। তোমালোক তালৈ গৈ তেওঁলোকৰ সেৱা কৰা। নিজৰ সময় অপচয় নকৰিবা। গঙ্গা নদীতো গৈ তোমালোকে বুজোৱা - পতিত-পাৱন গঙ্গা নে পৰমপিতা পৰমাত্মা? সকলোৰে সৎগতি এই পানীয়ে কৰিব নে বেহদৰ পিতাই কৰিব? তোমালোকে ইয়াৰ ওপৰত ভালদৰে বুজাব পাৰা। বিশ্বৰ মালিক হোৱাৰ ৰাস্তা দেখুৱাই দিয়া। দান কৰা, কড়িতুল্য মনুষ্যক হীৰাতুল্য বিশ্বৰ মালিক কৰি তোলা। ভাৰত বিশ্বৰ মালিক আছিল নহয়। তোমালোক ব্ৰাহ্মণসকলৰ কুল দেৱতাসকলতকৈও উচ্চ। এই বাবাইতো (ব্ৰহ্মাই) বুজায় - মই পিতাৰ একমাত্ৰ অতি মৰমৰ সন্তান। বাবাই মোৰ এই শৰীৰ ঋণত লৈছে। তোমালোকৰ বাহিৰে আন কোনেও এই কথাবোৰ বুজিব নোৱাৰে। বাবা মোৰ শৰীৰত আৰোহী হৈ আছে। মই বাবাক কান্ধত বহুৱাইছোঁ অৰ্থাৎ সেৱা কৰাৰ কাৰণে শৰীৰ দিছোঁ। ইয়াৰ পৰিৱৰ্তে আকৌ তেওঁ কিমান দিয়ে। মোক সকলোতকৈ উচ্চ কান্ধত বহুৱায়। এক নম্বৰৰ কৰি তোলে। সন্তান পিতাৰ প্ৰিয় হয়, সেয়েহে কান্ধত তুলি লয় নহয়। মাকে কেৱল সন্তানক কোলাত লয় পিতাই কান্ধত তুলি লয়। পাঠশালাক কেতিয়াও কল্পনা বুলি কোৱা নহয়। স্কুলত ইতিহাস-ভূগোল পঢ়ে তেন্তে সেয়া জানো কল্পনা হ'ল? এয়াও বিশ্বৰ ইতিহাস-ভূগোল হয় নহয়। ভালবাৰু!

অতি মৰমৰ, কল্পৰ পাছত পুনৰাই মিলিত হোৱা সন্তানসকলৰ প্ৰতি মাতা-পিতা বাপদাদাৰ স্নেহপূৰ্ণ স্মৰণ আৰু সুপ্ৰভাত। আত্মিক পিতাৰ আত্মিক সন্তানসকলক নমস্কাৰ।

*ধাৰণাৰ বাবে মুখ্য সাৰ:-**

(1) বহুত প্ৰেমেৰে বহি আত্মিক পিতাক স্মৰণ কৰিব লাগে। স্মৃতিত প্ৰেমৰ চকুলো ওলালে তেন্তে সেই চকুলো বিজয় মালাৰ মণি হৈ যাব। নিজৰ সময় ভৱিষ্যত প্ৰলব্ধ গঢ়াত সফল কৰিব লাগে।

(2) অন্তৰ্মুখী হৈ সকলোকে 'অল্ফ'ৰ (পিতাৰ) পৰিচয় দিব লাগে, বেছিকৈ ক'ব নালাগে। এটাই চিন্তা থাকিব লাগে যে এনেকুৱা কোনো কৰ্তব্য নহয় যাৰ বাবে শাস্তি খাবলগীয়া হয়।

**বৰদান:** আত্মিক যাত্ৰী হওঁ - এইটো স্মৃতিৰে সদায় উৰ্দ্ধত থাকোঁতা, অনাসক্ত আৰু নিৰ্মোহী হোৱা

আত্মিক যাত্ৰী সদায় স্মৃতিৰ যাত্ৰাত আগবাঢ়ি গৈ থাকে, এই যাত্ৰা সদায় সুখদায়ক। যি আত্মিক যাত্ৰাত তৎপৰ হৈ থাকে তেওঁলোকৰ অন্য কোনো যাত্ৰা কৰাৰ আৱশ্যকতা নাই। এই যাত্ৰাত সকলো যাত্ৰা সমাহিত হৈ আছে। মন বা তনেৰে দিগভ্ৰান্ত হোৱা বন্ধ হৈ যায়। গতিকে সদায় যাতে এইটোৱে স্মৃতি থাকে যে মই আত্মিক যাত্ৰী, যাত্ৰীৰ কাৰো সৈতে মোহ থাকিব নোৱাৰে। তেওঁলোকৰ সহজে উৰ্দ্ধত থকাৰ, অনাসক্ত আৰু নিৰ্মোহী হোৱাৰ বৰদান প্ৰাপ্ত হৈ যায়।

**শ্লোগান:** সদায় বাঃ! বাবা, বাঃ! ভাগ্য আৰু বাঃ! মৰমৰ পৰিয়াল - এইটোৱে গীত গাই থাকা।

!! ওঁম্ শান্তি !!

অব্যক্ত সংকেত**:** অশৰীৰী তথা বিদেহী স্থিতিৰ অভ্যাস বঢ়োৱা

যেনেকৈ পিতাক সৰ্ব স্বৰূপেৰে বা সৰ্ব সম্বন্ধেৰে জনাটো আৱশ্যক, তেনেকৈ পিতাৰ দ্বাৰা নিজকো জনা আৱশ্যক। জনা অৰ্থাৎ মানি লোৱা। মই যি হওঁ, যেনেকুৱা হওঁ, তেনেকৈয়ে মানি চলিলে তেতিয়া দেহত বিদেহী, ব্যক্তত থাকিও অব্যক্ত, চলোঁতে-ফুৰোঁতে ফৰিস্তা বা কৰ্ম কৰিও কৰ্মাতীত স্থিতি হৈ যাব।